**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 08-12-2025
**Time :** 18-45 Hrs

**ASSAMESE EVEN BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৮০ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা শিক্ষাৰ্থীক ডঃ বাণীকান্ত কাকতি মেধা বঁটা আঁচনিৰ অধীনত স্কুটাৰ বিতৰণ।

২। ৰাজ্যৰ ৭১ খন পৌৰসভাৰ ৬৬৪ গৰাকী প্ৰাদেশিকীকৃত পৌৰ কৰ্মচাৰী আৰু নগৰ তথা গাঁও পৰিকল্পনা সঞ্চালকালয়ৰ ৮ গৰাকী সহকাৰী সঞ্চালকক নিযুক্তি।

৩। ৰাজ্যজুৰি বিস্তৃত কাৰ্যসূচীৰে পৰহিলৈ পালন হ'বলগীয়া ছহিদ দিৱসৰ প্ৰস্তুতিৰ খতিয়ান ল'বলৈ মন্ত্ৰী অতুল বৰাৰ জিলা আয়ুক্তসকলৰ সৈতে বৈঠক।

৪। লোকসভাত ৰাষ্ট্ৰীয় গীত **বন্দে মাতৰমৰ** ১৫০ বছৰ সম্পূৰ্ণ হোৱাৰ সন্দৰ্ভত বিশেষ আলোচনা।

*আৰু*

৫। গুৱাহাটীৰ খানাপাৰাত প্ৰখ্যাত আমেৰিকান সংগীত শিল্পী পোষ্ট মেলনৰ সংগীতানুষ্ঠান।

ooooo

২০২৫ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৮০ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা শিক্ষাৰ্থীসকলক ডঃ বাণীকান্ত কাকতি মেধা বঁটা আঁচনিৰ অধীনত আজি স্কুটাৰ বিতৰণ কৰা হয়। এইবাৰ এই বঁটা লাভ কৰা ১১ হাজাৰ ২৫০ গৰাকী শিক্ষাৰ্থীৰ ভিতৰত ৬ হাজাৰ ৮৬০ গৰাকী ছাত্ৰী আৰু ৪ হাজাৰ ৩৯০ গৰাকী ছাত্ৰ আছে। গুৱাহাটীৰ পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে অংশ লয়। নিজৰ ভাষণত মুখ্যমন্ত্ৰীয়ে স্কুটাৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক যানবাহন চলোৱাৰ নীতি-নিয়ম মানি চলিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীগৰাকীয়ে ভাষণত লগতে কয়, যে সময়ৰ দ্ৰুত পৰিৱৰ্তনে অসমকো স্পৰ্শ কৰিছে। ৰাজ্যখনত ২৫ খনকৈ চিকিৎসা মহাবিদ্যালয় হৈছে। ইয়াৰে ১৫ খন কাৰ্যক্ষম হৈ আছে আৰু আন ১০ খন নিৰ্মাণৰ বিভিন্ন পৰ্যায়ত আছে। সেই সূত্ৰেই বৰ্তমান ৰাজ্যত মেডিকেল আসনৰ সংখ্যা দুহেজাৰলৈ বৃদ্ধি হৈছে বুলি মন্তব্য কৰি তেওঁ কয়, যে ২০৩০ চনৰ ভিতৰত ৰাজ্যত এই সংখ্যা ৫ হাজাৰলৈ বৃদ্ধি পাব বুলি আশা কৰা হৈছে। একেদৰে বৰ্তমান অসমত দুখন কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ উপৰি ২৫ৰ পৰা ২৬ খন বিশ্ববিদ্যালয় কাৰ্যক্ষম হৈ আছে বা নিৰ্মাণৰ বিভিন্ন স্তৰত আছে। প্ৰতিৰক্ষা বাহিনীৰ অন্যতম যুদ্ধবিমান ৰাফেলৰ মেৰামতি বা চোৱাচিতাৰ বাবে ড'ছল্ট ছিষ্টেমছে প্ৰায় ২০০ হাজাৰ কোটি টকা ব্যয়ৰে গুৱাহাটীৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠান নিৰ্মাণৰ বাবে আগবাঢ়িছে বুলিও তেওঁ কয়। এই প্ৰকল্প বাস্তৱায়িত হ'লে অসমৰ শিক্ষাৰ্থীয়ে বিমান মেৰামতিৰ সৈতে জড়িত বিভিন্ন ক্ষেত্ৰৰ শিক্ষা লাভ কৰিব। একেদৰে চৰকাৰে ডিব্ৰুগড়ত মেৰাইন ইঞ্জিনিয়াৰিঙৰ দৰে জাহাজ মেৰামতি শিক্ষা প্ৰদানৰ প্ৰতিষ্ঠান আৰম্ভ কৰিছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে ভাষণত উল্লেখ কৰে।

এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীগৰাকীয়ে ১ জানুৱাৰীৰ পৰা ছাত্ৰসকলৰ বাবে **মুখ্যমন্ত্ৰীৰ বাবু আঁচনি** আৰম্ভ কৰিব বুলি জনায়। দৰিদ্ৰ আৰু মধ্যবিত্ত ছাত্ৰই এই আঁচনিৰ সুবিধা লাভ কৰিব। এই আঁচনিৰ অধীনত প্ৰতিমাহে নিৰ্বাচিত ছাত্ৰক জলপানি দিয়া হ'ব।

**বাইট (চি এম)**

oooooo

স্বচ্ছ আৰু মেধাভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে ৰাজ্য চৰকাৰে আজি ৭১ খন পৌৰসভাৰ ৬৬৪ গৰাকী প্ৰাদেশিকীকৃত পৌৰ কৰ্মচাৰী আৰু নগৰ তথা গাঁও পৰিকল্পনা সঞ্চালকালয়ৰ ৮ গৰাকী সহকাৰী সঞ্চালকক নিযুক্তি পত্ৰ প্ৰদান কৰে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত দিনৰ ২ বজাত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা উপস্থিত থাকে।

ইপিনে অসম আৰক্ষী আৰু গৃহ বিভাগত নিযুক্তি লাভ কৰা চাহ জনজাতিৰ ১২০ গৰাকী প্ৰাৰ্থীক আজি বিয়লি জনতা ভৱনত আয়োজিত এটা অনুষ্ঠানত নিযুক্তি পত্ৰ প্ৰদান কৰা হয়।

ooooo

ৰাজ্যজুৰি বিস্তৃত কাৰ্যসূচীৰে পৰহিলৈ পালন কৰিবলগীয়া ছহিদ দিৱসৰ প্ৰস্তুতিৰ খতিয়ান লবলৈ আজি মন্ত্ৰী অতুল বৰাই জিলা আয়ুক্তসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে বৈঠকত মিলিত হয়। এই বৈঠকত মন্ত্ৰী কেশৱ মহন্ত, জয়ন্ত মল্ল বৰুৱা, ৰূপেশ গোৱালা আৰু ৰাজ্যৰ মুখ্য সচিব ড° ৰবী কোটা উপস্থিত থাকে। এই বৈঠকত প্ৰতিখন জিলা আৰু সমজিলাত এই অনুষ্ঠান সফলভাৱে অনুষ্ঠিত কৰিবলৈ যাৱতীয় নিৰ্দেশনা দিয়া হয়। উল্লেখযোগ্য যে এই অনুষ্ঠানৰ বাবে ৰাজ্য চৰকাৰে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। গুৱাহাটীৰ পশ্চিম বৰাগাওঁত ছহিদ দিৱস উদযাপনৰ কেন্দ্ৰীয় অনুষ্ঠানৰ আয়োজন কৰা হৈছে। জিলা আৰু সম জিলা মুখ্য কাৰ্যালয়সমূহতো সকলো স্তৰৰ ৰাইজৰ সক্ৰিয় অংশগ্ৰহণেৰে ছহিদ দিৱস পালন কৰা হ'ব। পশ্চিম বৰাগাওঁত নিৰ্মিত ছহিদ স্মাৰক ক্ষেত্ৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আনুষ্ঠানিকভাৱে মুকলি কৰিব। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে ঐতিহাসিক অসম আন্দোলনৰ ছহিদসকলৰ প্ৰতি সন্মান জনাই তেওঁলোকৰ স্মৃতি সংৰক্ষণৰ লক্ষ্যৰে বৰাগাওঁত এই ছহিদ স্মাৰক ক্ষেত্ৰ নিৰ্মাণ কৰা হৈছে। এই ক্ষেত্ৰত প্ৰেক্ষাগৃহ, প্ৰাৰ্থনা গৃহ, চাইকেল ট্ৰেক আদিৰ উপৰি অসম আন্দোলন তথা ৰাজ্যখনৰ বুৰঞ্জীৰ বিভিন্ন ঘটনা প্ৰবাহক সামৰি শব্দ আৰু পোহৰৰ বিশেষ প্ৰদৰ্শনীৰো ব্যৱস্থা থাকিব।

ooooo

লোকসভাত আজি ৰাষ্ট্ৰীয় গীত **বন্দে মাতৰমৰ** ১৫০ বছৰ সম্পূৰ্ণ হোৱাৰ সন্দৰ্ভত বিশেষ আলোচনা অনুষ্ঠিত হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই আলোচনা আৰম্ভ কৰে। শ্ৰী মোদীয়ে আলোচনাত অংশ লৈ কয়, যে এই আলোচনাই সদনৰ দায়বদ্ধতাক প্ৰতিফলিত কৰাৰ লগতে পৰৱৰ্তী প্ৰজন্মসমূহক দেশাত্মবোধেৰে উদ্বুদ্ধ কৰিব। তেওঁ কয়, যে এই গীতে দেশৰ স্বাধীনতা আন্দোলনক শক্তি দিয়াৰ লগতে মাৰ্গ দৰ্শন কৰাইছিল। এই বিষয়টো লৈ আলোচনা কৰাটো সংসদৰ প্ৰতিগৰাকী সদস্যৰ বাবে গৰ্ব আৰু সৌভাগ্যৰ বিষয় বুলিও প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। এই আলোচনাই ইতিহাসৰ স্মৰণীয় ঘটনাসমূহক সকলোৰে সন্মুখত উজ্জ্বল কৰি তোলাৰ লগতে নতুন প্ৰজন্মৰ বাবে পাথেয় হ'ব বুলিও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। বংকিমচন্দ্ৰ চট্টোপাধ্যায়ৰ এই অবিস্মৰণীয় সৃষ্টিয়ে ঔপনিবেশিক ব্ৰিটিছ চৰকাৰৰ বংগ বিভাজন

নীতিকো ওফৰাই দিবলৈ জনসাধাৰণক উৎসাহিত কৰিছিল বুলি তেওঁ উল্লেখ কৰে। বন্দে মাতৰম কেৱল এটা গীত নহয়, বৰং স্বাধীনতা সংগ্ৰামীসকলক ত্যাগ আৰু একাগ্ৰতাৰে নিজৰ পথত অগ্ৰসৰ হোৱাৰ প্ৰেৰণা যোগোৱা শক্তিশালী মন্ত্ৰ আৰু শ্ল'গান আছিল বুলিও তেওঁ মন্তব্য কৰে।

**বাইট**

আলোচনাত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অংশ লৈ বন্দে মাতৰম ভাৰতৰ অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ অবিচ্ছেদ্য অংগ বুলি মন্তব্য কৰে। সমাজবাদী পাৰ্টীৰ নেতা অখিলেশ যাদৱ, কংগ্ৰেছ দলৰ সাংসদ তথা বিৰোধীৰ উপ দলপতি গৌৰৱ গগৈকে ধৰি কেইবাগৰাকীও সাংসদে এই আলোচনাত অংশ লৈছে।

এই আলোচনাৰ বাবে ১০ ঘণ্টা সময় দিয়া হৈছে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাৰ অধ্যক্ষতাত পূৰ্বে অনুষ্ঠিত সৰ্বদলীয় বৈঠকতে আজি **বন্দে মাতৰম** আৰু কাইলৈ ভোটাৰ তালিকাৰ সংশোধনী সন্দৰ্ভত আলোচনা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হৈছিল।

ৰাজ্যসভাত **বন্দে মাতৰম**ৰ ডেৰশ বছৰ পূৰ্ণ হোৱা উপলক্ষে কাইলৈ আলোচনা অনুষ্ঠিত হ'ব।

০০০০০

গুৱাহাটীৰ খানাপাৰাত প্ৰখ্যাত আমেৰিকান সংগীত শিল্পী পোষ্ট মেলনৰ সংগীতানুষ্ঠান অনুষ্ঠিত হৈছে। সংগীতানুষ্ঠান উপভোগ কৰিবলৈ খানাপাৰাত ৰাজ্যৰ লগতে চুবুৰীয়া কেইবাখনো ৰাজ্যৰ দৰ্শকে ভিৰ কৰিছে। আমেৰিকান সংগীত শিল্পীগৰাকীক অসমলৈ স্বাগতম জনাই শিল্পীগৰাকীৰ প্ৰসংগত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কয়, যে অসমলৈ এনে আন্তৰ্জাতিক পৰ্যায়ৰ শিল্পী পূৰ্বে অহা নাছিল। শিল্পীগৰাকীৰ অনুষ্ঠান চাবলৈ বহিঃৰাষ্ট্ৰৰ দৰ্শককো আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এনে অনুষ্ঠানে ৰাজ্যৰ অৰ্থনীতিলৈ অৱদান আগবঢ়াব বুলি আশা প্ৰকাশ কৰে। একেটা প্ৰসংগতে মুখ্যমন্ত্ৰীগৰাকীয়ে অনাগত দুবছৰৰ ভিতৰত বিশ্ববিখ্যাত সংগীত শিল্পী ছাকিৰাক অসমত অনুষ্ঠান পৰিৱেশন কৰিবৰ বাবে আমন্ত্ৰণ জনোৱা হ'ব বুলি প্ৰকাশ কৰে।

উল্লেখযোগ্য যে অনুষ্ঠানৰ সময়ত যান-বাহনৰ সুচল যাতায়াতৰ বাবে মহানগৰ আৰক্ষীয়ে কেতবোৰ নীতি নিৰ্দেশনা জাৰি কৰে। এই অনুসৰি ৰাষ্ট্ৰীয় ঘাইপথৰ কেইবাটাও স্থানত যান-বাহন ৰখোৱাত বাধা আৰোপ কৰাৰ লগতে বেলতলা, ছয়মাইল আৰু খানাপাৰাৰ আশে-পাশে যান-বাহন ৰখোৱাৰ বাবে আৰক্ষীয়ে সু-নিৰ্দিষ্ট ব্যৱস্থা কৰা হৈছে।

০০০০০

ৰাজ্যত শীঘ্ৰে গো ধনৰ সংৰক্ষিত চৰণীয়া পথাৰসমূহৰ উন্নয়ন সাধন কৰা হ'ব বুলি মীন আৰু পশুপালন মন্ত্ৰী কৃষ্ণেন্দু পালে প্ৰকাশ কৰিছে। আজি কামৰূপ জিলাৰ আমিনগাঁৱত লোক নিৰ্মাণ বিভাগৰ সভাকক্ষত এখন পৰ্যালোচনা সভাত অংশ লোৱাৰ পাছত মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ এই সভাত বিভাগসমূহৰ অধীনত চলি থকা কাম-কাজৰ অগ্ৰগতি পৰ্যালোচনা কৰে। অনুষ্ঠানত অংশ লোৱাৰ পিছত সাংবাদিকৰ আগত মন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ মীন পালকসকলে সুন্দৰভাৱে নিজৰ কাম-কাজ কৰি সফলতা লাভ কৰিছে বুলি উল্লেখ কৰে। তদুপৰি কামৰূপ জিলাত পশুপালন বিভাগেও সন্তোষজনকভাৱে কাম কৰি আছে বুলি তেওঁ উল্লেখ কৰে।

বাইট

০০০০০

অহা ১৩ ডিচেম্বৰত দেশজুৰি হ'বলগীয়া ৰাষ্ট্ৰীয় লোক আদালতৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ ভিন্ন প্ৰান্ততো লোক আদালতৰ বাবে প্ৰস্তুতি চলিছে। লখিমপুৰ জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত লখিমপুৰ জিলা আৰু ঢকুৱাখনা মহকুমা আদালতত ১৩ ডিচেম্বৰত ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। লখিমপুৰ আইন সেৱা প্ৰাধিকৰণৰ সচিবে বিভিন্ন ধৰণৰ গোচৰ যেনে বিত্তীয় লেন-দেন সংক্ৰান্তিয় গোচৰ, শ্ৰম বিবাদ, বেংকৰ ঋণ অনাদায়, বিদ্যুৎ, পানী যোগানৰ বিল সংক্ৰান্তিয় গোচৰ মীমাংসা যোগে হ'বলগীয়া ফৌজদাৰী আৰু দেৱানী গোচৰ আৰু অন্যান্য গোচৰৰ বিবাদৰ সৈতে জড়িতসকলক দিনৰ ১০ বজাত ন্যায়িক আৰু মহকুমাৰ ন্যায়িক আদালতত উপস্থিত থাকিবলৈ অনুৰোধ জনাইছে।

একেদৰে নগাঁও জিলা আদালত প্ৰাংগণতো ১৩ ডিচেম্বৰত দিনৰ ১০ বজাৰ পৰা নগাঁও জিলা আইন সেৱা প্ৰাধিকাৰীৰ অধীনত ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন কৰা হৈছে।

ooooo

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিত কুমাৰ দাসে কাছাৰ জিলাত চলি থকা সকলো উন্নয়নমূলক কাম-কাজ ৬০ৰ পৰা ৭৫ দিনৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিছে। আজি কাছাৰ জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ত গ্ৰাম্য উন্নয়ন ত্বৰান্বিত কৰাৰ উদ্দেশ্যে এখন উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠকত ভাগ লৈ মন্ত্ৰীগৰাকীয়ে এই নিৰ্দেশ দিয়ে। বৈঠকখনত শিলচৰৰ বিধায়ক দীপায়ন চক্ৰৱৰ্তী, উদাৰবন্দৰ বিধায়ক মিহিৰকান্তি সোম, ধলাইৰ বিধায়ক নিহাৰ ৰঞ্জন দাস, কাছাৰ জিলা পৰিষদৰ সভাপতি কংকন নাৰায়ণ শিকদাৰৰ লগতে জিলা প্ৰশাসনৰ কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত আছিল। উল্লেখযোগ্য যে জিলাখনত ১ লাখ ৪৭ হাজাৰ পৰিয়ালে পি এম এ ৱাই জি প্ৰকল্পৰ গৃহ লাভ কৰিছে। এই গৃহ নিৰ্মাণৰ বাবে ২৯৮ কোটি টকা আৱণ্টন দিয়া হৈছে। মন্ত্ৰীগৰাকীয়ে হিতাধিকাৰীৰ পৰীক্ষণ, নিয়মীয়া অগ্ৰগতিৰ প্ৰতিবেদন আৰু গাঁও সভাৰ জৰিয়তে সকলো স্তৰতে সংহত তত্বাৱধানত গুৰুত্ব আৰোপ কৰে।

ooooo

বিগত তিনিটা বৰ্ষত অসমকে ধৰি উত্তৰ পূৰ্বাঞ্চলৰ ৮খন ৰাজ্যত মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আঁচনিৰ প্ৰায় ১১ লাখ ৭৬ হাজাৰ জব কাৰ্ড বিভিন্ন কাৰণত বাতিল কৰা হৈছে। ইয়াৰ ভিতৰত অসমত সৰ্বাধিক ১০ লাখ ১৫ হাজাৰ ৫০০খন জব কাৰ্ড বাতিল কৰা হৈছে। উল্লেখযোগ্য যে এম জি এনৰেগাৰ অধীনত জব কাৰ্ডকে ধৰি আঁচনিখনৰ বিভিন্ন দিশসমূহ ৰূপায়ণ কৰাটো ৰাজ্য চৰকাৰৰ দায়িত্ব। ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহে নিয়মীয়াকৈ জবকাৰ্ডৰ তথ্য পৰীক্ষা কৰে। তথ্য পৰীক্ষাৰ সময়ত ভুৱা বা নকল জব কাৰ্ড, কাম কৰিবলৈ আগ্ৰহ নথকা পৰিয়াল, গাঁও পঞ্চায়তৰ পৰা স্থায়ীভাৱে আঁতৰি যোৱা পৰিয়াল আদি বিভিন্ন কাৰণত জবকাৰ্ডসমূহ নাকচ হ'ব পাৰে।

ooooo

কামৰূপ জিলাৰ বকোৰ গান্ধী ময়দান সমন্বয় ক্ষেত্ৰত কাইলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীনৰ অন্তৰ্গত ২০২৫-২৬ বৰ্ষৰ হিতাধিকাৰীসকললৈ যোজনাৰ অনুমোদন পত্ৰৰ ৰাজ্যিক পৰ্যায়ৰ কেন্দ্ৰীয় আনুষ্ঠানিক বিতৰণ কাৰ্যসূচীৰ উদ্বোধন কৰিব। ইয়াৰ অংশ হিচাপে যোৰহাট জিলাৰ চাৰিওটা বিধানসভা সমষ্টিতে কাইলৈ আনুষ্ঠানিক বিতৰণ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। যোৰহাট বিধানসভা সমষ্টিৰ বাবে এই অনুষ্ঠান যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকা গৃহত অনুষ্ঠিত হ'ব। জিলাখনৰ তিতাবৰ মৰিয়নি আৰু টিয়ক বিধানসভা সমষ্টিতো এই উপলক্ষে বিতৰণ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০০০

২০২৫-২৬ বৰ্ষৰ মুখ্যমন্ত্ৰীৰ চাহ জনজাতি আৰু আদিবাসী ফুটবল প্ৰতিযোগিতা আজি যোৰহাট জিলাৰ বিধানসভা সমষ্টিত আৰম্ভ হৈছে। জিলাখনৰ মৰিয়নি বিধানসভা সমষ্টিৰ অন্তৰ্গত ন-কছাৰী মিনি ষ্টেডিয়াম খেলপথাৰত আজি প্ৰতিযোগিতাখনৰ শুভাৰম্ভণি কৰা হয়। অনুষ্ঠানত সমষ্টিটোৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী, জিলা পৰিষদৰ অধ্যক্ষ সুৰজিৎ শইকীয়া, চাহ জনজাতিৰ প্ৰতিনিধিকে ধৰি বহুসংখ্যক লোক উপস্থিত থাকে।

টিয়ক বিধানসভা সমষ্টিত এই প্ৰতিযোগিতাৰ ১৭ বছৰৰ অনুৰ্ধ সমষ্টিভিত্তিক প্ৰতিযোগিতাখন আয়োজক সমিতিৰ সভাপতি জুল খাউণ্ডে আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। অনুষ্ঠানত বিজেপিৰ যোৰহাট জিলাৰ সভাপতি শান্তনু পুজাৰী, যুৱ নেতা সিদ্ধাংকু অংকুৰ বৰুৱা,  প্ৰবীন ক্ৰীড়া সংগঠক সৌৰভ প্ৰাণ বৰাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশ মৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি ৫ মিনিটত প্ৰচাৰিত মৰিগাঁও জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অনন্ত গগৈৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিছে আমাৰ মৰিগাঁৱৰ সংবাদদাতা ডালিম ফুকনে।

০০০০০

সমাপ্ত